# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰতে চলিত বৰ্ষত বিভিন্ন ক্ষেত্ৰত বিশ্বৰ বুকুত শক্তিশালী চাপ ৰাখি যাবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে ৰাজ্যসমূহক নিৰ্মাণ আৰু ব্যৱসায়ৰ সুগমতা বৃদ্ধি কৰি ভাৰতক গোলকীয় সেৱা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে আহ্বান জনাইছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমত কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব।

৪। ফিডে বিশ্ব ৰেপিড চেম্পিয়নশ্বিপৰ পুৰুষ আৰু মহিলাৰ শাখাত ভাৰতৰ অৰ্জুন এৰীগাইছি আৰু কনেৰু হাম্পিয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

*আৰু*

৫। তিৰৱনন্তপুৰমত অনুষ্ঠিত মহিলা টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত যোৱানিশা ভাৰতে, শ্ৰীলংকাক ৩০ ৰানত পৰাস্ত কৰে।

ooooo

ভাৰতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰা ক্ৰীড়া ক্ষেত্ৰলৈকে, বিজ্ঞান পৰীক্ষাগাৰৰ পৰা বৃহৎ মঞ্চলৈকে বিভিন্ন ক্ষেত্ৰত বিশ্বৰ বুকুত শক্তিশালী চাপ ৰাখি যাবলৈ সমৰ্থ হৈছে। আকাশবাণীযোগে প্ৰচাৰিত ১২৯ সংখ্যক মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৫ বৰ্ষটোত আলোকপাত কৰি কয়, যে বছৰটোৱে প্ৰতিজন ভাৰতীয়কে গৌৰৱ কৰিব পৰাকৈ ভালেমান স্মৃতি দি গৈছে। অপাৰেচন সিন্দুৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ ক্ষণ বুলি প্ৰধানমন্ত্ৰীয়ে মত পোষণ কৰে।

তেওঁ বন্দে মাতৰমৰ ১৫০ বছৰ উদযাপনত দেশবাসীৰ স্পৃহা আৰু উদ্যমৰ শলাগ লয়। ক্ৰীড়াৰ দিশতো ২০২৫ চনতো উল্লেখনীয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতীয় পুৰুষ ক্ৰিকেট দলৰ আই চি চি চেম্পিয়নছ ট্ৰফী দখল আৰু মহিলা ক্ৰিকেট দলৰ প্ৰথমবাৰৰ বাবে বিশ্বকাপ দখলে দেশবাসীক উৎসাহিত কৰে। তেওঁ লগতে মহিলাৰ দৃষ্টিহীন টি-২০ বিশ্বকাপত ভাৰতীয় দলে খিতাপ দখলেৰে যি ইতিহাস ৰচিলে তাৰবাবে প্ৰতিগৰাকীয়ে খেলুৱৈক প্ৰশংসা কৰে।

বিজ্ঞান আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰতো চলিত বৰ্ষত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইপিনে, শক্তিশালী যুৱ শক্তি গঠনৰ দিশত বিশ্বৰ বুকুত ভাৰতে আজি উল্লেখনীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে অহা ১২ জানুৱাৰীত ৰাষ্ট্ৰীয় যুৱ দিৱসৰ দিনাই যুৱ নেতাসকলৰ বৈঠক অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত কালি নিজৰ ৰাজ্যখনত প্ৰায় ১০০টা গৃহত সৌৰ শক্তিৰ সংযোগ কৰোৱা এগৰাকী যুৱকৰ প্ৰসংগ উল্লেখ কৰাৰ লগতে তেওঁক প্ৰশংসাও কৰে।

মন কী বাতৰ ১২৯ সংখ্যক খণ্ডত প্ৰধানমন্ত্ৰীগৰাকীয়ে এটা পুৰণি প্ৰবাদৰ কথা উল্লেখ কৰি কয়, যে ইচ্ছা, থাকিলেই বাট ওলায়। মণিপুৰৰ ৪০ বছৰীয়া যুৱক মৈৰাংথেম সেঠৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে যুৱকজনে নিজৰ গৃহ জিলা থৌৱালৰ য়াৰিপক বামন লেইকাই গাঁৱত বিদ্যুতৰ সমস্যা সৌৰশক্তিৰ জৰিয়তে সমাধান কৰে। শ্ৰীমোদীয়ে দৈনিক জীৱন যাত্ৰাত মহিলা, স্থানীয় ম্যসৎ পালক আৰু শিল্পীসকলৰ স্বাস্থ্যৰ যতন আৰু উন্নতিৰ বাবে মৈৰাংথেম সেঠে সৌৰশক্তি সংযোগ কৰি অহাৰ বাবে যুৱকজনৰ প্ৰশংসা কৰে।

মৈৰাংথেম সেঠে ২০১৯ চনত এছ এন এল এনাৰ্জী চ'লিউচন নামৰ এটা ষ্টাৰ্ট আপ মুকলি কৰিছিল। ইয়াৰ জৰিয়তে মণিপুৰৰ গ্ৰাম্য অঞ্চলৰ জনসাধাৰণৰ জীৱন যাত্ৰা উন্নত কৰাৰ লক্ষ্য লোৱা হৈছিল। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা এটা কথোপকথনত সেঠে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে মন কী বাতত তেওঁৰ প্ৰসংগ উল্লেখ কৰা বাবে সুখী অনুভৱ কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ কথা উল্লেখ কৰা বাবে তেওঁ আৰু এছ এন এল এনাৰ্জী চলিউচন ষ্টাৰ্ট আপটোৰ সহযোগীসকল যথেষ্ট অনুপ্ৰাণিত হৈছে আৰু ভৱিষ্যতলৈও তেওঁলোকে এই প্ৰচেষ্টা অব্যাহত ৰাখিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যসমূহক নিৰ্মাণ আৰু সুগম ব্যৱসায়িক বৃদ্ধি তথা ভাৰতক গোলকীয় সেৱা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত অনুষ্ঠিত মুখ্যসচিবসকলৰ পঞ্চম ৰাষ্ট্ৰীয় সন্মিলনত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। শ্ৰীমোদীয়ে উল্লেখ কৰে যে ভাৰতে অতি শীঘ্ৰে ৰাষ্ট্ৰীয় নিৰ্মাণ অভিযান আৰম্ভ কৰিব আৰু প্ৰতিখন ৰাজ্যই ইয়াক অগ্ৰাধিকাৰ দিয়াৰ উপৰি বিশ্বৰ বিভিন্ন কোম্পানীসমূহক আকৰ্ষণ কৰাৰ বাবে আন্তঃগাঁথনি গঢ়ি তুলিব লাগিব। তিনিদিনীয়াকৈ অনুষ্ঠিত এই সন্মিলনত বিকশিত ভাৰতৰ বাবে মানৱ সম্পদ বিষয়বস্তুৰে আলোচনা অনুষ্ঠিত হয়।

ভাৰতৰ জনসংখ্যাৰ গাঁথনিত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে দেশৰ ৭০ শতাংশ লোক কাম কৰিব পৰা বয়সৰ আৰু অৰ্থনৈতিক প্ৰগতিৰ সৈতে ইয়াক একাত্ম কৰিলে এই জনসংখ্যাই বিকশিত ভাৰতৰ যাত্ৰাত বিশেষভাৱে অৰিহণা যোগাব। শ্ৰীমোদীয়ে কয়, যে এনে এটা সময়ত মুখ্য সচিবসকলৰ সন্মিলন অনুষ্ঠিত হৈছে যেতিয়া দেশ পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰৰ সাক্ষী হৈছে আৰু মুখ্য গোলকীয় অৰ্থনৈতিক শক্তি হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। প্ৰশাসন, সেৱা প্ৰদান তথা নিৰ্মাণ কাৰ্যৰ গুণগত মানত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে মেড ইন ইণ্ডিয়াৰ লেবেল উন্নত ব্ৰেণ্ডৰ সামগ্ৰীৰ সৈতে ফেৰ মাৰিব পৰাকৈ উৎকৃষ্টতা আৰু গোলকীয় প্ৰতিদ্বন্দ্বিতাৰ চিহ্ন হ'ব লাগিব। তেওঁ কয়, যে দেশত নিৰ্মিত এনে সামগ্ৰীসমূহৰ কোনো ধৰণৰ ক্ৰুটি থাকিব নালাগিব আৰু এই সামগ্ৰীসমূহৰ পৰিৱেশৰ ওপৰত প্ৰভাৱ একেবাৰেই কম হ'ব লাগিব। ইয়াৰ জৰিয়তে চৰকাৰৰ **শূন্য প্ৰভাৱ, শূন্য ক্ৰুটি**ৰ প্ৰতিশ্ৰুতিবদ্ধতা শক্তিশালী কৰা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে যুৱ চামৰ জীৱন নিৰ্বাহৰ বাবে

পৰ্যটনেও এটা বিশেষ ভূমিকা ল'ব পাৰে বুলি উল্লেখ কৰে। তেওঁ ৰাজ্যসমূহক কমেও এখনকৈ হ'লেও গোলকীয় পৰ্যায়ৰ পৰ্যটন স্থল গঢ়ি তোলাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰিবলৈ আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে আন ভালেমান কাৰ্যসূচীত অংশ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি গুৱাহাটীলৈ অহাৰ কথা আছিল যদিও ঘন কুঁৱলীৰ বাবে তেওঁৰ বিমান যাত্ৰা বাতিল হোৱাত অসম ভ্ৰমণ এদিন পিছুৱাই দিবলগীয়া হয়। আজি পুৱা গুৱাহাটীত উপস্থিত হৈ শ্ৰীশ্বাহে শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাব। ইয়াৰ পাছত তেওঁ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। শ্ৰীশ্বাহে আজি বৰদোৱাত এটা ৰাজহুৱা সমদলতো অংশলোৱাৰ কথা। গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটী মহানগৰৰ সুৰক্ষা ব্যৱস্থা অধিক উন্নত কৰাৰ লক্ষ্যৰে এটা নতুন আৰক্ষী আয়ুক্তালয় আৰু সংহত  কমাণ্ড আৰু নিয়ন্ত্ৰণ ব্যৱস্থা মুকলি কৰিব। তেওঁ লগতে খানাপাৰাত নৱনিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব।

ooooo

ইংলেণ্ডৰ প্ৰাক্তন ক্ৰিকেটাৰ হিউ মৰিছৰ কালি ৬২ বছৰ বয়সত দেহাৱসান ঘটে। ২০২২ চনৰ পৰা তেওঁ কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। ইংলেণ্ডৰ প্ৰসিদ্ধ ক্ৰিকেটাৰগৰাকীয়ে ১৯৯১ চনত তিনিখনকৈ টেষ্ট ক্ৰিকেটত জয়লাভ কৰিছিল আৰু দক্ষিণ আফ্ৰিকা, ৱেষ্ট ইণ্ডিজ আৰু শ্ৰীলংকা ভ্ৰমণত ইংলেণ্ড এ-দলক নেতৃত্ব দিছিল। তেওঁ লগতে ইংলেণ্ড আৰু ৱেলছ ক্ৰিকেট পৰিষদৰ মুখ্য কাৰ্যবাহী হিচাপে সেৱা আগবঢ়াইছিল। ভাৰতৰ প্ৰাক্তন ক্ৰিকেটাৰ ৰবী শাস্ত্ৰীয়ে মৰিছৰ মৃত্যুত শোকপ্ৰকাশ কৰি পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

ooooo

দোহাত অনুষ্ঠিত ফিডে বিশ্ব ৰেপিড চেম্পিয়নশ্বিপৰ পুৰুষ আৰু মহিলাৰ শাখাত ভাৰতৰ অৰ্জুন এৰীগাইছি আৰু কনেৰু হাম্পিয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছে। প্ৰতিযোগিতাত মেগনাছ কাৰ্লছেন আৰু আলেকজেন্দ্ৰা গ'ৰয়াছকিনাই খিতাপ জয় কৰে। কনেৰু হাম্পিয়ে ২০১৯ আৰু ২০২৪ চনৰ এই প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰিছিল।

ooooo

তিৰৱনন্তপুৰমত অনুষ্ঠিত মহিলা টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত যোৱানিশা ভাৰতে, শ্ৰীলংকাক ৩০ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই শ্ৰীলংকাক ২২২ ৰানত বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলৰ হৈ স্মৃতি মান্ধানাই ৮০ আৰু শেফালি বাৰ্মাই ৭৯ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৯১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ

হৈ চামাৰী আথাপট্টুৱে ৫২ ৰান কৰে। ভাৰতৰ অৰুন্ধতী ৰেড্ডী আৰু বৈষ্ণৱী শৰ্মাই দুটাকৈ উইকেট দখল কৰাৰ লগতে এন ছৰনীয়ে এটা উইকেট লাভ কৰে। স্মৃতি মান্ধানাক প্লেয়াৰ অব্ দ্যা মেচ ঘোষণা কৰা হয়।

এই জয়ৰ সুবাদত ভাৰতে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাত ৪-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল  কাইলৈ তিৰুৱনন্তপুৰমতে অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**